# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
- - - - - - - - - - - - - -

১। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল আজি ঘোষণা। নগাঁৱৰ ভাস্বত শইকীয়াৰ ৪৭৪ সংখ্যক স্থান লাভ।

২। আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি চৰাইদেউৰ লাকুৱাত জনসভাত অংশগ্ৰহণ।

৩। পৰিৱেশ সংৰক্ষণ আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশ্ব ধৰিত্ৰী দিৱস পালন।

৪। কবি নীলিম কুমাৰলৈ চলিত বছৰৰ ড০ চি নাৰায়ণ ৰেড্ডী ৰাষ্ট্ৰীয় সাহিত্য বঁটা। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে। এইবাৰৰ পৰীক্ষাত ৭২৫ গৰাকী পুৰুষ আৰু ২৮৪ গৰাকী মহিলা প্ৰাৰ্থীকে ধৰি মুঠ এহেজাৰ ৯ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। শীৰ্ষ পাঁচটা স্থানত তিনিগৰাকী মহিলা আৰু দুজন পুৰুষ প্ৰাৰ্থী আছে। এইবাৰৰ পৰীক্ষাত শক্তি ডুবেই প্ৰথম স্থান, হৰ্ষিতা গোৱেলে দ্বিতীয় আৰু ডংগ্ৰে আৰ্ছিত পৰাগে তৃতীয় স্থান দখল কৰিছে। কেন্দ্ৰীয় লোকসেৱা আয়োগে বিগত বৰ্ষৰ ছেপ্তেম্বৰত সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ লিখিত পৰীক্ষাসমূহ অনুষ্ঠিত কৰাৰ লগতে চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা এপ্ৰিলৰ ভিতৰত সাক্ষাৎকাৰ অনুষ্ঠিত কৰিছিল।

উল্লেখযোগ্য যে অসমৰ নগাঁৱৰ ভাস্বত শইকীয়াই এই পৰীক্ষাত ৪৭৪ সংখ্যক স্থান লাভ কৰিছে। নগাঁও জিলাৰ ডিফলুৰ বীৰেন্দ্ৰ নাথ শইকীয়া আৰু দিব্যজ্যোতি শইকীয়াৰ পুত্ৰ ভাস্বত শইকীয়াই ইয়াৰ পূৰ্বেও ২০২৩ বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফলত ৫৫২ সংখ্যক স্থান লাভ কৰিছিল। পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱাৰ পাছত ভাস্বত শইকীয়াই সাংবাদিকৰ আগত এইদৰে কয়---

**বাইট (ভাস্বত শইকীয়া)**

০০০০০

ৰাজ্যত অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে। প্ৰাৰ্থীসকলে ভোটাৰক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ঠায়ে ঠায়ে প্ৰচাৰ সভা, ৰেলী আদিৰ আয়োজন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰাকে ধৰি বিভিন্নজনে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাইছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চৰাইদেউ জিলাৰ লাকুৱাত এখন জনসভাত অংশ লয়। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভালেসংখ্যক লোকে এই সভাত অংশগ্ৰহণ কৰে। জিলাখনত মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত এয়া আমাৰ চৰাইদেউৰ সংবাদদাতা নবুল কোঁৱৰ—

**বাইট (নবুল কোঁৱৰ)**

মুখ্যমন্ত্ৰী শৰ্মাই আজি উত্তৰ লখিমপুৰৰ বগীনদী অঞ্চলত এখন জনসভাত অংশ লোৱাৰ কথা আছিল যদিও প্ৰতিকূল বতৰৰ বাবে তেওঁ ইয়াত অংশ লোৱাৰ পৰা বিৰত থাকে। ড০ শৰ্মাই ফোনযোগেই জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়ে। তেওঁ লখিমপুৰ জিলাৰ প্ৰতিটো বিধানসভা সমষ্টিত অৰুণোদয় আঁচনিৰ পৰা বাদ পৰি ৰোৱা হিতাধিকাৰীসকলক পৰৱৰ্তী সময়ত আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ব বুলি আশ্বাস দিয়ে। বগীনদীৰ গজাই-মনাই ক্ষেত্ৰত আয়োজিত এই জনসভাত জ্যেষ্ঠ মন্ত্ৰী ডা০ ৰণোজ পেগু, লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, বিধায়ক মানৱ ডেকাকে ধৰি কেইবাগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বৰাকত দুদিন প্ৰচাৰ চলোৱাৰ পাছত আজি গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ অন্তৰ্গত মৰঙি আৰু নামবৰ জিলা পৰিষদত নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই সভাপতিগৰাকীৰ সৈতে প্ৰচাৰ সভাত ভাগ লয়। কাইলৈ তেওঁ শোণিতপুৰ আৰু গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলাব। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই আজি গোলাঘাট জিলাত প্ৰচাৰ সভাত অংশ লৈ বিগত সময়ছোৱাত বিজেপি মিত্ৰজোঁট চৰকাৰখনে জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহত আলোকপাত কৰে। শ্ৰীবৰাই এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থী তথা খুমটাই, গোলাঘাট, সৰুপথাৰ আৰু দেৰগাঁও সমষ্টিৰ দলীয় কৰ্মকৰ্তাৰ সৈতে জিলা বিজেপিৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে কাইলৈ শদিয়া, লখিমপুৰ আৰু জোনাইত প্ৰচাৰ চলাব।

তেজপুৰত আজি আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে নিয়োজিত প্ৰায় এহেজাৰ ২৪০ গৰাকী প্ৰথম প'লিং বিষয়াৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰু বেলট বাকচ ব্যৱহাৰৰ দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন হয়।

ধেমাজি জিলাত আজি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰদলনিৰ বৰবামত প্ৰচাৰ সভাত অংশ লয়। সাংসদ গগৈয়ে কেন্দ্ৰ আৰু ৰাজ্যত কংগ্ৰেছ চৰকাৰ নাথাকিলেও জনসাধাৰণৰ হৃদয়ত কংগ্ৰেছ আছে বুলি মন্তব্য কৰি বৰ্তমানৰ চৰকাৰখনক সমালোচনা কৰে।

ইপিনে পঞ্চায়ত নিৰ্বাচনৰ ভোটকেন্দ্ৰসমূহ বিধানসভাৰ ভোটকেন্দ্ৰৰ সৈতে অমিল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ভোটাৰসকলে যাতে ভোটকেন্দ্ৰ চিনাক্ত কৰাত অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে মৰিগাঁও জিলা প্ৰশাসনে খণ্ড

পৰ্যায়ৰ বিষয়াসকলক সজাগতা সৃষ্টিৰ নিৰ্দেশ দিছে। অতিৰিক্ত জিলা আয়ুক্তই এখন জাননীযোগে বিষয়াসকলক পঞ্চায়ত সচিবৰ সহযোগত ভোটদাতাসকলক এইক্ষেত্ৰত সজাগ কৰিবলৈ নিৰ্দেশ দিয়ে।

হোজাই জিলাত অহা ২৪ এপ্ৰিলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰচাৰ অভিযানত অংশ লোৱাৰ পৰিপ্ৰেক্ষিতত লামডিং সমষ্টিৰ বিধায়ক শিবু মিশ্ৰকে ধৰি বিজেপিৰ কৰ্মকৰ্তাসকল তৎপৰ হৈ পৰিছে।

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত মূল প্ৰশিক্ষক সকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। জিলাখনৰ ছখন জিলা পৰিষদ আৰু ২০ খন গাঁও পঞ্চায়তৰ বাবে প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

শ্ৰীভূমি জিলাত মন্ত্ৰী কৃষ্ণেন্দু পালে জিলাখনৰ লক্ষীমপুৰ বিলবাৰীত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

০০০০০

পৰিবেশ সংৰক্ষণ আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্ব ধৰিত্ৰী দিৱস পালন কৰা হৈছে। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধ্বংস আৰু জৈৱ বৈচিত্ৰ্যৰ ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ ১৯৭০ চনৰ পৰা প্ৰতি বছৰে আজিৰ দিনটো বিশ্ব ধৰিত্ৰী দিৱস হিচাপে পালন কৰি অহা হৈছে। এইবেলি বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ বিষয়বস্তু হ'ল- আমাৰ শক্তি, আমাৰ গ্ৰহ। বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ ৫৫ বছৰ পূৰ্ণ হোৱাৰ দিনটো আজি বিশ্বৰ ১৯২ খন দেশৰ জনসাধাৰণে উদযাপন কৰিছে। বিশ্ব ধৰিত্ৰী দিৱস উপলক্ষে জনস্বাস্থ্য কাৰিকৰী আৰু নগৰোন্নয়ন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিনন্দীয়া পৃথিৱীৰ সুৰক্ষাৰ বাবে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰিবলৈ ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

ধেমাজি জিলাৰ দক্ষিণ ধেমাজি শিশু সংসদৰ উদ্যোগত আজি বিশ্ব ধৰিত্ৰী দিৱস পালন কৰা হয়। ধেমাজীৰ স্বেচ্ছাসেৱী সংস্থা ইকনমিক ডেভলপমেণ্ট অৰগেনাইজেশ্বন চমুকৈ চেদোৱে গঠন কৰা এই শিশু সংসদে জিলাখনৰ কোৱাফলা গাওঁত এই দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰে। এই উপলক্ষে জৈৱিকভাৱে পচন নোহোৱা আৱৰ্জনা মুক্ত কৰাৰ বাবে শিশুসকলক পৰামৰ্শ দিয়া হয়। ইয়াৰ পাছতেই শিশু সংসদৰ অধ্যক্ষ পাহাৰী কোঁৱৰৰ সঞ্চালনাত অনুষ্ঠিত সভাত এই দিৱসৰ উদ্দেশ্য ব্যাখ্যা কৰা হয়।

গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠানত আজি ধৰিত্ৰী দিৱস উপলক্ষে সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০০

কবি নীলিম কুমাৰলৈ চলিত বছৰৰ ড০ চি নাৰায়ণ ৰেড্ডী ৰাষ্ট্ৰীয় সাহিত্য বঁটা আগবঢ়োৱা হৈছে। জ্ঞানপীঠ বঁটা বিজয়ী, পদ্মভূষণ সন্মানেৰে সন্মানিত. তেলেগু ভাষাৰ বিখ্যাত কবি, সাহিত্যিক ড০ চি নাৰায়ণ ৰেড্ডীৰ সোঁৱৰণত আগবঢ়োৱা এই বঁটা লাভ কৰা নীলিম কুমাৰ প্ৰথমগৰাকী অসমীয়া হিচাপে পৰিগণিত হৈছে। ইয়াৰ পূৰ্বে জ্ঞানপীঠ বঁটা বিজয়ী ডং চন্দ্ৰশেখৰ কাম্বাৰ, ডং প্ৰতিভা ৰায়, শিৱকুমাৰী আৰু বিখ্যাত কবি গীতিকাৰ জাভেদ আখতাৰে এই বঁটা লাভ কৰিছিল। এই বঁটাত আছে স্মাৰক, এখন অংগবস্ত্ৰ, প্ৰশস্তিপত্ৰ আৰু ৫ লাখ টকা।

০০০০০

প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ২৯ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হয়। এই উপলক্ষে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উদ্যোগত দলৰ মুখ্য কাৰ্যালয় গুৱাহাটীৰ ৰাজীৱ ভৱনত এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভা আৰু এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। এই সভাত প্ৰাক্তন সাংসদ প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ ৰাজনৈতিক ক্ষেত্ৰৰ সহযোগী বলিন কুলিয়ে প্ৰয়াত শইকীয়াৰ ৰাজনৈতিক বিচক্ষণতা সন্দৰ্ভত বক্তৃতা দিয়ে। এই সভাত মুখ্যমন্ত্ৰীগৰাকীৰ পুত্ৰ তথা অসম বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়াকে ধৰি দলৰ শীৰ্ষ নেতৃবৰ্গ উপস্থিত থাকে।

০০০০০

শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ সভাপতিত্বত আজি ধেমাজী ৰাজহুৱা প্ৰেক্ষাগৃহত জিলাখনৰ ক্ৰীড়া ক্ষেত্ৰৰ উন্নয়ন সন্দৰ্ভত এখন ৰাজহুৱা সভা অনু,ঠিত হয়। এই সভাত জিলাখনৰ প্ৰাক্তন খেলুৱৈ, প্ৰশিক্ষক তথা ক্ৰীড়া অনুৰাগীসকলে অংশগ্ৰহণ কৰে। জিলাখনৰ খেলুৱৈসকলৰ প্ৰতিভা বিকাশৰ লগতে শক্তিশালী ক্ৰীড়া আন্তঃগাথনি গঢ়ি তোলা আৰু নিয়মিতভাৱে ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে বৈঠকত আলোচনা কৰা হয়।

০০০০০

পঞ্চায়ত নিৰ্বাচনত ব্যাপক অনিয়মৰ অভিযোগ তুলি শোণিতপুৰ জিলা কংগ্ৰেছৰ প্ৰতিনিধিৰ এটা দলে আজি ৰাজ্যিক নিৰ্বাচনী আয়ুক্তক সাক্ষাৎ কৰে। দলটোৱে আয়ুক্তগৰাকীক এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰি জিলখনৰ নদুৱাৰ আৰু ঢেকিয়াজুলি বিধানসভা  সমষ্টিত পঞ্চায়ত নিৰ্বাচনৰ সমূহ প্ৰক্ৰিয়া নতুনকৈ সম্পন্ন কৰিবলৈ দাবী জনাইছে। তদুপৰি নদুৱাৰ সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলক ভাবুকি দি মনোনয়ন পত্ৰ দাখিল কৰিবলৈ নিদিয়া বুলি বিস্তৃত তথ্য আৰু এই সন্দৰ্ভত আৰক্ষীক দাখিল কৰা গোচৰ তথা জিলা আয়ুক্তক লিখিতভাৱে দিয়া অভিযোগৰ প্ৰতিলিপিসহ এই আবেদন দাখিল কৰা হৈছে। দলটোৱে স্মাৰকপত্ৰখনত সমগ্ৰ বিষয়টো তদন্তৰ জৰিয়তে নিষ্পত্তি কৰিবলৈ আহ্বান জনাইছে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ত বোমা সংস্থাপনৰ ভাবুকি সন্দৰ্ভত অচিনাক্ত লোকে প্ৰেৰণ কৰা এটা ই-মেইলক লৈ আজি ন্যায়ালয়ত আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। ই-মেইল লাভ কৰাৰ পাচত আৰক্ষীয়ে উচ্চ ন্যায়ালয় চৌহদত উপস্থিত হৈ তন্ন তন্নকৈ তালাচী চলায়। অৱশ্যে দীৰ্ঘ সময় ধৰি তালাচী চলাইও আৰক্ষীয়ে কোনো ধৰণৰ আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰিবলৈ সমৰ্থ নহল বুলি প্ৰকাশ কৰিছে। প্ৰাথমিক তদন্তত আৰক্ষীয়ে তামিলনাডুৰ পৰা এই ভাবুকিসূচক ই-মেইল বাৰ্তাটো অহাৰ তথ্য লাভ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। অৱশ্যে আনুষ্ঠানিকভাৱে আৰক্ষীয়ে কোনো তথ্য সদৰি কৰা নাই।

০০০০০

কামৰূপ জিলাৰ পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত বকোৰ কাইথপাৰাত যোৱা নিশা বৃহৎ পৰিমাণৰ ভেকুলী সৰবৰাহ কাৰ্যত স্থানীয় ৰাইজে বাধা দিয়ে। জনসাধাৰণে কেইবাবস্তা ভেকুলীৰ সৈতে  ছজন সৰবৰাহকাৰীক আটক কৰি বন বিভাগক খবৰ দিয়ে। পাছত ৰাইজৰ তৎপৰতাত ভেকুলীসমূহ পথাৰত মুকলি কৰি দিয়া হয়। উল্লেখযোগ্য যে বিগত কিছুদিন ধৰি পশ্চিম কামৰূপ বন সংমণ্ডলৰ অন্তৰ্গত ৭ টা বনাঞ্চলিক

কাৰ্যালয়ৰ অধীনৰ এলেকাৰ পৰা বহিঃৰাজ্যলৈ ভেকুলীৰ লগতে বিভিন্ন প্ৰজাতিৰ জীৱ জন্তু তথা চৰাই এটা অসাধু চক্ৰই সৰবৰাহ কৰি অহা বুলি জনসাধাৰণে অভিযোগ কৰিছে।

০০০০০

হোজাই জিলাৰ ডবকাৰ লালমাটিত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত দুগৰাকী মহিলা থিতাতে নিহত হয়। ডিফুৰ পৰা নগাঁও অভিমুখে আহি থকা এখন যাত্ৰীবাহী বাছৰ সৈতে বিপৰীত ফালৰ পৰা অহা এখন ব্যক্তিগত চাৰিচকীয়া বাহনে মুখামুখিকৈ খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত চাৰিচকীয়া বাহনখনত যাত্ৰা কৰা মহিলা দুগৰাকীৰ মৃত্যু হোৱাৰ লগতে বাহনখনৰ চালকজন গুৰুতৰভাৱে আহত হয়। চালকজনক সংকটজনক অৱস্থাত নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। মৃত মহিলা দুগৰাকী পশ্চিম কাৰ্বি আংলঙৰ সাতগাঁৱৰ নজনী টিমুংপি আৰু ৰজনী বেপি বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০

গোৱালপাৰা চহৰৰ সমীপৱৰ্তী ৰাঙাগড়াত আজি বনৰীয়া হাতীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। মৃত লোকজন  গৌতম মণ্ডল বুলি চিনাক্ত কৰা হৈছে। আজি পুৱা পথাৰত গৰু বিচাৰিবলৈ যোৱাৰ সময়তে বনৰীয়া হাতীৰ গচকত লোকজনৰ মৃত্যু হৈ বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। পাছত বন বিভাগে মৃতদেহটো গোৱালপাৰাৰ শ্বহীদ নিধনুৰাম ৰাজবংশী অসামৰিক চিকিৎসালয়লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

০০০০০

ৰেলৱে সুৰক্ষা বাহিনীৰ সঞ্চালক প্ৰধান মনোজ যাদৱে আজি উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ মালিগাঁৱৰ সদৰ কাৰ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত শ্ৰীযাদৱে সামগ্ৰিক  সুৰক্ষা ব্যৱস্থাৰ বুজ লোৱাৰ লগতে ৰেলৱে সুৰক্ষা বাহিনীৰ কাৰ্যপদ্ধতি পৰ্যালোচনা কৰে। সঞ্চালক প্ৰধানগৰাকীয়ে মালিগাঁওত অনুষ্ঠিত এখন বৈঠকত অংশ লৈ চোৰাংচোৱা ৰোধ, প্ৰযুক্তিৰ ব্যৱহাৰ, অভিযান আধুনিকীকৰণ আৰু সংস্থাসমূহৰ মাজত সমন্বয় সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ৰেলৱে সুৰক্ষা বাহিনীৰ বাবে ১০ খন চাৰিচকীয়া আৰু ২৭ খন দুচকীয়া বাহনো মুকলি কৰে। সঞ্চালকপ্ৰধানগৰাকীয়ে বাহিনীটোৰ জোৱানসকলে যাত্ৰী সুৰক্ষা, ৰাষ্ট্ৰীয় স্বাস্থ্য আৰু সম্পত্তিৰ সুৰক্ষাৰ ক্ষেত্ৰত নিষ্ঠাৰে আগবঢ়োৱা সেৱাৰ শলাগ লয়।

০০০০০

ওদালগুৰি জিলাৰ ভেৰগাঁও গালাচুৱা নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক নবীন চন্দ্ৰ ব্ৰহ্মৰ আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। ভেৰগাঁও প্ৰাথমিক বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিপিএফ দলৰ নেতাগৰাকীৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০

ধেমাজি জিলাৰ গোৱালদৈ বাটমাৰীৰ নিবাসী তথা মাছখোৱা টাউন হাইস্কুলৰ সহ শিক্ষক দেৱৰাজ চেত্ৰীৰ আজি বিয়লি দেহাৱসান ঘটে। কিছুদিন ধৰি যকৃতৰ ৰোগত আক্ৰান্ত হৈ থকা শিক্ষকগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫০ বছৰ। ১৯৯৮ চনৰ পৰা বিদ্যালয়খনৰ সৈতে জড়িত থকা শিক্ষকগৰাকীৰ মৃত্যুত অঞ্চলটোৰ শোকৰ ছাঁ পৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ডেলহী কেপিটেলছ সম্প্ৰতি তালিকাৰ দ্বিতীয় স্থানত থকাৰ বিপৰীতে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ পঞ্চম স্থানত আছে।

০০০০০

সমাপ্ত